স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

VOL-15 NO-202 SATURDAY 27 SEPTEMBER 2025

### মননশীল বক্তৃতা প্ৰদান অধ্যাপিকা ড° বিজেয়েতা দেউৰীৰ

## কানৈ মহাবিদ্যালয়ৰ জনগোষ্ঠীয় গৱেষণা-উন্নয়ন কেন্দ্ৰৰ বক্তৃতানুষ্ঠান সম্পন্ন



**বিশেষ বাৰ্তা, ডিব্ৰুগড়, ২৬ ছেপ্টেম্বৰ ঃ** ডিব্ৰুগড় হনুমান বক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ জনগোষ্ঠীয় গৱেষণা আৰু উন্নয়ন কেন্দ্ৰৰ উদ্যোগত আৰু ৰাজনীতি বিজ্ঞান বিভাগ, হিন্দী বিভাগ, দৰ্শন বিভাগ আৰু আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত ২৪ ছেপ্টেম্বৰত মহাবিদ্যালয়ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত এক বিশেষ বক্তৃতানুষ্ঠান অনুষ্ঠিক হয়। অধ্যাপিকা ড° লখিমা দেউৰীয়ে আঁত ধৰা অনুষ্ঠানত আদৰণী ভাষণ প্ৰদান কৰে কানৈ মহাবিদ্যালয়ৰ অধ্যক্ষ ড° শশীকান্ত শইকীয়াই। আদৰণী ভাষণ প্ৰসংগত অধ্যক্ষ ড° শইকীয়াই জনগোষ্ঠীয় গৱেষণা আৰু উন্নয়ন কেন্দ্ৰৰ উক্ত প্ৰচেষ্টাৰ শলাগ লোৱাৰ লগতে ৮ পৃষ্ঠাত

স্বদেশ আৰু স্বজাতিৰ সেৱাৰ দৃঢ় সংকল্পৰে

# নিয়মীয়া বাৰ্তা

VOL-15 □ NO-202 □ SATURDAY 27 SEPTEMBER 2025

## কানৈ মহাবিদ্যালয়ৰ জনগোষ্ঠীয়

অনাগত দিনসমূহত কেন্দ্ৰটিয়ে আৰু অধিক সক্ৰিয়ভাৱে বিভিন্ন প্ৰকাৰৰ অনুষ্ঠানৰ জৰিয়তে কানৈ মহাবিদ্যালয়ৰ শৈক্ষিক ক্ষেত্ৰখনলৈ গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই যাব বুলি মত প্ৰকাশ কৰে। উদ্বোধনী ভাষণ প্ৰদান কৰে মহাবিদ্যালয়ৰ উপাধ্যক্ষ অভিজিত বৰুৱাই। উদ্যোধনী ভাষণ প্ৰসংগত ভাৰতবৰ্ষৰ প্ৰেক্ষাপটত জনগোষ্ঠীয় গাঁথনি, সংবিধানৰ ব্যৱস্থাৱলী আৰু বৰ্তমান সময়ত জনগোষ্ঠীসমূহৰ মাজত সচৰাচৰ উদ্ভৱ হোৱা গোষ্ঠীগত সচেতনতাই জনজাতিকৰণৰ প্ৰক্ৰিয়াক অতি জটিল কৰি তুলিছে বুলি মত প্ৰকাশ কৰে। অনুষ্ঠানত সমল ব্যক্তি হিচাপে উপস্থিত থাকে দেইঠৰ চৰকাৰী মডেল মহাবিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা ড° বিজেয়েতা দেউৰীয়ে। ড° দেউৰীয়ে 'অসমৰ প্ৰেক্ষাপটত জনগোষ্ঠীয় ৰাজনীতিৰ পৰিৱৰ্তন' শীৰ্ষক মননশীল বক্তৃতা প্ৰদান কৰে। ভাষণ প্ৰসংগত তেওঁ মত প্ৰকাশ কৰে যে অসমৰ ৰাজনীতিত জনগোষ্ঠীয় বৈশিষ্ট্যসমূহক ব্ৰিটিছ ঔপনেৱেশিককালৰ পৰা বৰ্তমান সময়লৈকে এক দীঘলীয়া সময়ৰ বিৱৰ্তনৰ মাজেৰে আহি বৰ্তমানৰ পৰিৱেশৰ সৃষ্টি হৈছে, য'ত সকলোৰে সহযোগিতাৰ মনোভাবেৰে আগবাঢ়ি যোৱাটো সকলোৰে কাম্য। জনগোষ্ঠীসমূহৰ জনগোষ্ঠীয় স্বকীয়তা অটুট ৰাখিবৰ কাৰণে সংবিধানপ্ৰদত্ত অধিকাৰ আৰু সংৰক্ষণ ব্যৱস্থাই জনগোষ্ঠীসমূহক নিজৰ ঐতিহ্য আৰু ইতিহাস সংৰক্ষণ কৰাত এক গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে। সমান্তৰালভাৱে সংবিধানৰ ষষ্ঠ অনুসূচীৰ অধীনত গঠিত হোৱা স্বায়ত্তশাসিত পৰিষদসমূহে যিধৰণেৰে কাম-কাজ কৰিব লাগিছিল, সেই ক্ষেত্ৰত এই পৰিষদসমূহ কিছু কিছু ক্ষেত্ৰত বিফল হৈছে বুলি মত প্ৰকাশ কৰে। ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপিকা, জনগোষ্ঠীয় গৱেষণা আৰু উন্নয়ন কেন্দ্ৰৰ সমন্বয়ক ড° নিৰ্মালি পেগুৱে কানৈ মহাবিদ্যালয়ৰ এই কেন্দ্ৰটোৰ চমু ইতিহাস আৰু ইয়াৰ কাৰ্যক্ৰমণিকাৰ বিষয়ে উপস্থিত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলক অৱগত কৰে। উক্ত অনুষ্ঠানত সমল ব্যক্তিগৰাকীৰ ভাষণৰ পিছত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ মাজত প্ৰশ্নোত্তৰ শিতানৰ জৰিয়তে বিভিন্ন দিশৰ ওপৰত অভিজ্ঞ ব্যক্তিসকলে আলোকপাত কৰে। অনুষ্ঠানত অৰ্থনীতি বিজ্ঞান বিভাগৰ জ্যেষ্ঠ অধ্যাপক ড° পাৰ্থ গাংগুলী, শৈক্ষিক পৰিষদৰ সদস্য সচিব ড° জ্যোতিপ্ৰসাদ ফুকন, পৰীক্ষাসমূহৰ নিয়ন্ত্ৰক ড° মৃদুল শৰ্মাকে প্ৰমুখ্য কৰি উদ্যোক্তা বিভাগসমূহৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু শতাধিক ছাত্ৰ-ছাত্ৰী অংশগ্ৰহণ কৰে। শেষত শলাগৰ শৰাই আগবঢ়ায় অধ্যাপিকা ড° লখিমা দেউৰীয়ে।